# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

**নং ঃ ৪৩১/২০২০**

**শ্ৰীশ্ৰী বৰবিষ্ণু আতাৰ থান, চমৰীয়া সত্ৰ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে**

**গুৰুজনাৰ আদৰ্শৰে নৱ প্ৰজন্মক আধ্যাত্মিক শক্তিৰে আগুৱাই নিব লাগিব ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ১৭ জুনঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কামৰূপ জিলাৰ শ্ৰীশ্ৰী বৰবিষ্ণু আতাৰ থান, ছমৰীয়া সত্ৰ পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে সত্ৰত সেৱা জনোৱাৰ উপৰি সত্ৰৰ চৌপাশে দেৱাল নিৰ্মাণ কামৰ আধাৰশিলা স্থাপন কৰে।

ইয়াৰ পিছত উপস্থিত থকা সাংবাদিকৰ সৈতে মত-বিনিময় কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে চমৰীয়া সত্ৰক এক আধ্যাত্মিক আৰু পৰ্যটকৰ আকৰ্ষণস্থলী হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে আৰু ইয়াৰ অধীনত উন্নয়নমূলক কাম-কাজৰ বাবে ধন মোকলাই দিয়া হৈছে। গুৰুজনাৰ আদৰ্শ সাৱোগত কৰি নৱ প্ৰজন্মক আধ্যাত্মিক শক্তিৰে আগুৱাই নিয়াৰ বাবে ঐতিহ্যমণ্ডিত চমৰীয়া সত্ৰই এক বিশেষ ভূমিকা পালন কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এক সুস্থ সমাজ ব্যৱস্থা গঢ়ি তোলাৰ বাবে গুৰুজনাৰ নীতি-আদৰ্শ মানি চলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত শান্তি-সম্প্ৰীতি তথা একতা বজাই ৰাখি আগন্তুক দিনসমূহত অসমৰ উন্নতিৰ হকে পৰিশ্ৰম কৰাৰ বাবে তেওঁ সকলো শ্ৰেণীৰ জনসাধাৰণক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ সমাজ ব্যৱস্থাত গুৰুজনাৰ নীতি-আদৰ্শ সমূহ সদায়ে প্ৰাসংগিক হৈ থাকিব।

ক'ভিড-১৯ সৃষ্ট অৰ্থনৈতিক স্থবিৰতা আঁতৰাই ৰাজ্যখনক পুনৰ প্ৰগতিৰ দিশেৰে আগুৱাই লৈ যোৱাৰ বাবে সকলোকে চৰকাৰক সহযোগ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে লকডাউনৰ নীতি-নিৰ্দেশনা সমূহৰ শিথিলতা অনা হৈছে যদিও ক'ভিড-১৯ ৰ বিভীষিকা এতিয়াও আঁতৰি যোৱা নাই। এই মাৰাত্মক ভাইৰাছৰ বিৰুদ্ধে যুঁজ দীঘলীয়া হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সমাজৰ প্ৰতিগৰাকী ব্যক্তিকে মাস্ক পৰিধান কৰা, সঘনাই হাত ধোৱা, সামাজিক ব্যৱধান বৰ্তাই ৰখা ইত্যাদি স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশনাসমূহ মানি চলাৰ বাবে আহ্বান জনাই যাতে ক'ৰণা ভাইৰাছৰ সামাজিক সংক্ৰমণ ৰোধ কৰিব পৰা যায়। কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগত বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰী সকলৰ ভিডিঅ' কনফাৰেন্সিং যোগে হোৱা মত-বিনিময়ৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীয়ে দেশৰ অৰ্থনীতিক পুনৰুজ্জীৱিত কৰাৰ বাবে লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে সকলো শ্ৰেণীৰ নাগৰিকক প্ৰধানমন্ত্ৰীয়ে জনোৱা আহ্বানৰ প্ৰতি সহাঁৰি জনাবলৈ আহ্বান জনায়।

আজিৰ এই চমৰীয়া সত্ৰৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি জনসম্পৰ্ক অভিযানৰ অধীনত মুখ্যমন্ত্ৰীয়ে চমৰীয়াৰ স্থনীয় ১৩ ঘৰ মানুহৰ ওচৰলৈ গৈ তেওঁলোকৰ লগত মত-বিনিময় কৰে।

মুখ্যমন্ত্ৰীৰ চমৰীয়া সত্ৰ পৰিদৰ্শনৰ সময়ত সাংসদ কুইন ওজাৰ লগতে কামৰূপ জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

**স্বাঃডেঃ**
**১৭/৬/২০২০**